ছোৱালীজনী বৰ ভাল স্বভাৱৰ, মাতটোও বৰ আপোন আপোন লগা; অৰূপা আৰু মোক মাহী-মহা বুলি মাতিছিল। ডাঙৰ হোৱাৰ পাছলৈকে তাই দিনটো আমাৰ ঘৰত আছিল।"

নবীনে শলাগিলে—"এৰা, কিছুমান সম্বন্ধীয় মানুহেও জীৱনত তিতা-কেঁহা লগায় আৰু কিছুমান সম্বন্ধ নথকা সৰু সৰু মানুহেও মৰম লগাব পাৰে। পাছলৈ সিহঁতৰ কথাবোৰ মনত পেলালে ভাল লাগে।"

"মাকজনীও বৰ অদ্ভুত আছিল। অতি কম বয়সতে ছোৱালীজনীক বিয়া দি দিলে, আৰু নিজে কাম-বন এৰি সন্ন্যাসিনী হ'ল। মাজে মাজে খুজি-মাগি পইচা গোটাই হৰিদ্বাৰলৈ যায়। কেতিয়াবা আমাৰ ঘৰলৈও আহে; জঁট বন্ধা চুলি, শুধ বগা বসন, কপালত বগা চন্দনৰ ফোট, দেখিলে শ্ৰদ্ধা নোপজাকৈ নাথাকে। তেওঁ জীয়েকৰ বিষয়েও একোকে নকয়, হৰিদ্বাৰৰ সাধু-সন্তসকলৰ কথাহে কয়।"

"তুমি সেইগৰাকী মহিলাক অদ্ভুত চৰিত্ৰৰ বুলি কৈছা?" নবীনে মোক উভতি ধৰিলে—"তেওঁহে দেখোন বুদ্ধিমতী আৰু অতি দূৰদৰ্শী! ক'ত ধৰিব লাগে, ক'ত এৰিব লাগে, সেইটোকে তেওঁ জানে; সেই কাৰণেহে সন্ন্যাসিনী হ'ব পাৰিছে।"

"এৰা ভাবি চালে তেওঁ সঠিক কামকে কৰিছে।" নবীনৰ কথাষাৰ শলাগি ক'লোঁ—"আমিহে ক'ব নোৱৰাকৈ এনেয়ে ঘানিটো টানি আছোঁ।"

ঘৰলৈ ঘূৰি আহি চাহ খাওঁতে অৰূপাক ক'লোঁ—"তোমাৰ চুমিৰ কথা মনত আছেনে? সেই যে ছোৱালীজনীক আমাৰ ঘৰত থৈ মাকে ঘৰে ঘৰে কাম কৰি ফুৰিছিল! প্ৰাতঃভ্ৰমণলৈ যাওঁতে আজি তাইক বাটতে লগ পালোঁ।"

তেওঁ কোনো প্ৰতিক্ৰিয়া নেদেখুৱাই মাথোন ক'লে—"অ', হয় নেকি?"

পাছদিনাও চুমিক লগ পালোঁ, একে ঠাইতে, একে সময়তে। হয়তো তাই মোক লগ পাবলৈ মানসিকভাৱে প্ৰস্তুত হৈয়েই আছিল। প্ৰশ্নটো শুনিয়েই বুজিব পাৰিলোঁ, তাইৰ ঔৎসুক্য।

"কওকচোন মহা, আপোনালোকৰ খবৰ। দাদাজনৰ বিয়া হৈ গ'লনে? মাহী কেনে আছে?"

মই যথাযথ উত্তৰ দিলোঁ। অৰূপাৰ গা ভাল নহয় বুলি ক'লোঁ। "কি হৈছেনো মাহীৰ?"

"নাৰ্ভৰ বেমাৰ, কথাবোৰ পাহৰি যায়, হাত-ভৰি অৱশ, নিজে গা-পা ধুব নোৱাৰে, ইত্যাদি।"

চুমি যেন অলপ বিষণ্ণ হৈ পৰিল; লাহেকৈ ক'লে—"মই যাম ৰ'ব, এবাৰ মাহীৰ খবৰ ল'বলৈ।"

চুমি যে ইমান সোনকালে আহিব ভবা নাছিলোঁ। সেইদিনা আবেলিয়েই মুখত এমোকোৰা হাঁহি লৈ তাই আমাৰ ঘৰত উপস্থিত হ'লহি। অৰূপা আৰু মই বাৰাণ্ডাতে বহি আছিলোঁ। তাই দুয়োৰে ভৰি চুই সেৱা কৰিলে, ওচৰতে মূঢ়াটো লৈ বহিল, আৰু অৰূপাৰ মুখমণ্ডলত দৃষ্টি নিবদ্ধ কৰি সুধিলে—"কওকচোন মাহী, আপোনাৰ খবৰ। গা ভালে আছেনে?"

চুমিক দেখি যে অৰূপা ভিতৰি ভিতৰি আনন্দত উথলি উঠিছে, সেইটো সহজে বুজিব পৰা গ'ল। তেওঁৰ মুখখন উজলি উঠিছে, কিন্তু বিশেষ প্ৰতিক্ৰিয়া দেখুৱাব পৰা নাই। কঁপা কঁপা হাতেৰে তেওঁ চুমিৰ গাল দুখন চুলে আৰু সৰুকৈ ক'লে—"দেখিছই নহয়, ভালেই আছোঁ দে।"

আমাৰ ঘৰখনলৈ আহি চুমিৰ অতীতক ঘূৰাই পোৱা যেন লাগিছে, তাইৰ সকলো কথা জানিবৰ মন। এসময়ত তাই ঘৰখনৰ সকলো কামকে কৰিবলৈ বিচাৰিছিল, নজনা কথাবোৰ অৰূপাৰপৰা শিকি-বুজি লৈছিল; দিনটোৰ কমেও ছঘণ্টা সময় আমাৰ ঘৰখনত তাইৰ ৰাজত্ব চলিছিল। হয়তো তাই আজি নিজকে বহিৰাগত বুলি অনুভৱ কৰিছে।

"দাদা-বৌ ক'ত?"

"দুয়ো চাকৰি কৰে, সন্ধিয়া ছয় বজাতহে আহি পাব।"

"এৰা, আজিকালি দুয়োজনে কাম নকৰিলে নচলে। ময়ো দুঘৰত ৰন্ধা-বঢ়াৰ কাম কৰোঁ। এতিয়া ছোৱালীজনী কম্পিউটাৰ ক্লাছত ভৰ্তি হৈছে, তাইকো পইচা লাগে। দেখিছোঁ আৰু এঘৰত কাম ল'ব লাগিব। প্ৰিন্সিপাল বাইদেৱে কৈয়েই আছে।"

মই সুধিলোঁ—"তোৰ ছোৱালীজনী কোন শ্ৰেণীত পঢ়ে?"

"এইবাৰ বি এছ ছি ফাৰ্ষ্ট ইয়েৰ; তাই পঢ়াত ভাল। হায়াৰ ছেকেণ্ডাৰী ছেকেণ্ড ডিভিজনত পাছ কৰিছে। তাইৰ সুবিধাৰ বাবেই ঘৰটো সলাবলগীয়া হ'ল।"

"আৰু তোৰ গিৰিয়েৰে কি কৰে?"

"ৰং মিস্ত্ৰি, তাৰ উপাৰ্জন বেয়া নহয়। কিন্তু ছোৱালীজনীৰ ভৱিষ্যতৰ কথা ভাবিও অলপ সাঁচিব নালাগিব জানো?"

তাইৰ কথাবোৰ মই শলাগি গ'লোঁ। সকলো কামকে গত লগাই কৰা আৰু সকলো কথাকে বুজাই কোৱাটো তাইৰ অভ্যাস। অৰূপাৰ নিৰ্লিপ্ততালৈ লক্ষ্য কৰি তাই মাহীয়েকক সুধিলে—"মাহী আপোনালোকলৈ মই চাহ কৰি আনোনে? মই পাকঘৰত সোমোৱা বুলি জানিলে নবৌৱে বেয়া পাব নেকি?"

অৰূপাই যেন মুহূৰ্ততে ছন্দ ঘূৰাই পালে—"নাপায়, যা। মই বোৱাৰীক কৈ থৈছোঁ তহঁতৰ কথা; তই যে আগতে মোক কিমান সহায় কৰি দিছিলি!"

"এঃ, মাহীয়ে যে কি কয়! আপুনিহে মোক কামবোৰ শিকাই-বুজাই দিছিল।"

এজনী গাভৰু ছোৱালীৰ চঞ্চলতাৰে চুমি ভিতৰলৈ সোমাই গ'ল আৰু দহ মিনিটমানৰ ভিতৰতে চাহ-বিস্কুট লৈ আহিল। তিনিওৰে বাবে চাহ বাকিলে আৰু বিস্কুটৰ থালখন আগবঢ়াই দি ক'লে—"কত বছৰৰ মূৰত আপোনালোকক চাহ দিয়াৰ সৌভাগ্য হ'ল। আপোনালোকলৈ মোৰ সদায়েই মনত পৰে; কিন্তু আহিব পৰা নাছিলোঁ, দূৰত আছিলোঁ যে। তাতে গাভৰু ছোৱালীজনীৰ দায়িত্ব!"

চাহ-পানী খোৱা হ'লত তাই কাপ-প্লেটবোৰ সামৰি ভিতৰলৈ নিলে। ওলাই আহি তাই অৰূপাৰ হাতখনত ধৰি ক'লে—"আজিলৈ আহোঁ মাহী, ছোৱালীজনী কলেজৰপৰা আহি পোৱাৰ সময় হৈছে।"

"যা, এদিন ছোৱালীজনীক লৈ আহিবি, মই তাইক চাম।" অৰূপাৰ কণ্ঠত স্পষ্টতা আৰু দৃঢ়তা ফুটি উঠিছে। এয়াও দেখোন একপ্ৰকাৰৰ পৰিৱৰ্তন।

"আহিম মাহী, নিশ্চয় আহিম। কিন্তু মই আন এটা কথাহে ভাবিছোঁ।

"কি কথানো?"—মই সুধিলোঁ।

সংকোচ সংকোচ ভাবেৰে চুমিয়ে ক'লে—"মইতো বেছি সময় নাপাওঁ। তথাপি দিনে এবাৰ আহি মাহীক গা-পা ধুৱাই দি যামহি, আৰু পাৰিলে অলপ হাত-ভৰিবোৰো মালিচ কৰি দিম।"

মুহূৰ্ততে অৰূপাৰ মুখখন উজলি উঠিল; তেওঁৰ মাতটোও পূৰ্বতকৈ ডাঙৰ হ'ল। "তই সেইখিনি কৰিলেতো মই ভালেই পাম, কিজানি তোৰ হাততেই সুস্থ হৈ উঠোঁ বা!"

"হ'ব মাহী, আপুনি নিশ্চয় সুস্থ হৈ উঠিব।" কিন্তু চুমিৰ অত্যুৎসাহত মই সন্তুষ্ট নহ'লোঁ। "তোৰ ইমানবোৰ কাম, ওচৰত থকা হ'লি বুলিয়েই তোৰ সময় হ'ব বুলি নাভাবিবি।" পিছে চুমিৰ আত্মবিশ্বাস আছে। তাই ক'লে—"সময় উলিয়াই ল'ম। মোৰ দুই বজাত কাম শেষ হৈ যায়। প্ৰিন্সিপাল বাইদেৱে কৈছে, তেওঁক হেনো দহ বজাতে ভাত লাগিব। এতেকে মই আঢ়ৈ বজাত মাহীৰ ওচৰলৈ আহিব পাৰিম। কথাষাৰ ভাবি-চিন্তিয়েই কৈছোঁ।"

তাইৰ সময়ৰ হিচাপটো মনে মনে পৰীক্ষা কৰি চালোঁ। "তোৰ যথেষ্ট কষ্ট হ'ব। কিন্তু মাহীয়েকৰ কথা ভাবি নিজেই কষ্ট স্বীকাৰ কৰিবলৈ ওলাইছ যেতিয়া মই হাক দিম কিয়? পিছে মাহে কিমান দিব লাগিব?"

তাই যেন উচপ খাই উঠিল, গাল-মুখ খন্তেকতে ৰঙা পৰিল।

"আপুনি যে কি কথা কয় মহা! মাহীয়ে মোক ৰন্ধা-বঢ়া শিকালে, সকলো কাম পৰিপাটিকৈ কৰিবলৈ দেখুৱাই দিলে, আনকি শেষৰ ফালে মোক চিলাই মেচিনটোতো বহিবলৈ দিছিল। এতিয়া সেইজনী মাহীৰ গা ধুৱাই দি মই পইচা ল'মনে?

চুমি গ'লগৈ। দেখিলোঁ, অৰূপাৰ দুগালেদি চকুলো বাগৰিছে।

ঠিকনা ঃ ১২, ডিম্বেশ্বৰ নেওগ পথ, আনন্দনগৰ, গুৱাহাটী-৭৮১০০৫, ফোন ঃ ৯৪৩৫৫৫৪২০৫